

সুখাৰ্থীনঃ কুতো বিদ্যা বিদ্যাৰ্থীনঃ কুতঃ সুখম্!!

যিয়ে জীৱনত সুখকেই বিচাৰি থাকে, সি বিদ্যা প্ৰাপ্তিৰ আশা ত্যাগ কৰিব লাগে; কাৰণ বিদ্যা আহৰণ কৰিব লাগিলে দুখ-কষ্ট ভোগ কৰিবই লাগিব, সুখৰ বাসনা ত্যাগ কৰিব লাগিব। সুখ বিচৰাসকলৰ বিদ্যা ক'ৰ পৰা হ'ব তথা বিদ্যাৰ্থীৰ সুখ ক'ত?

একেনাপি তপো দ্বাভ্যাং পঠনং গায়নং ত্ৰিভিঃ।
চতুৰ্ভিৰ্গমনং ক্ষেত্ৰং পঞ্চভিৰ্বহুভিঃ ৰণঃ।।

তপস্যা অকল এজনেই কৰে, পঢ়া-শুনা দুজনৰ দ্বাৰা (গুৰু আৰু শিষ্য), সংগীত তিনিজনে, যাত্ৰা চাৰিজনে, খেতি-বাতি পাঁচজনে আৰু যুদ্ধ বহুজনৰ সহায়ত সম্পাদন হয়।

ত্ৰাণকৰ্তা পিতা শত্ৰুঃ মাতা চ ব্যভিচাৰিণী।
ভাৰ্য্যা ৰূপৱতী শত্ৰুঃ পুত্ৰঃ শত্ৰুঃ-অপণ্ডিতঃ।।

ধাৰত পোত গৈ থকা পিতা শত্ৰু, ব্যভিচাৰিণী মাতা শত্ৰু, অত্যন্ত ৰূপৱতী স্ত্ৰী শত্ৰু আৰু মূৰ্খ পুত্ৰ শত্ৰু।

সিংহাদেকং বকাদেকং শিক্ষেচ্চত্বাৰি কুক্কুটান।
বায়সাত্ পঞ্চ শিক্ষেচ্চ ষট্ শুনস্ত্ৰীণি গৰ্দভাত্।।

মানুহে সিংহ আৰু বগলীৰ পৰা এটা এটা গুণৰ, মুৰ্গীৰ পৰা চাৰিটা গুণৰ, কাউৰীৰ পৰা পাঁচটা গুণৰ, কুকুৰৰ পৰা ছয়টা গুণৰ আৰু গাধৰ পৰা তিনিটা গুণৰ শিক্ষা ল'ব লাগে।

প্ৰভূতং কাৰ্যমল্পং বা যন্নৰঃ কৰ্তুমিচ্ছতি।
সৰ্বাৰম্ভেণ তৎকাৰ্যং সিংহাদেকং প্ৰচক্ষতে।।

কাম সৰু হওক বা ডাঙৰ হওক তাক পূৰ্ণ শক্তি প্ৰয়োগ কৰি সম্পাদন কৰিব লাগে— এই শিক্ষা সিংহৰ পৰা ল'ব লাগে।

ইন্দ্ৰিয়াণী চ সংযম্য বকবভ্ পণ্ডিতো নমঃ।
দেশকালবলং জ্ঞাত্বা সৰ্বকাৰ্যামি সাধয়েত্।।

বুদ্ধিমান মানুহে বগলীৰ দৰে সমস্ত ইন্দ্ৰিয় বশীভূত আৰু একত্ৰ কৰি তথা দেশ, কাল আৰু নিজৰ শক্তিৰ প্ৰতি লক্ষ্য ৰাখি সকলো কাম সমাধা কৰিব লাগে।

প্ৰভ্যুত্থানং চ যুদ্ধং চ সংবিভাগং চ বন্ধুষু।
স্বয়মাক্ৰম্য ভুক্তং চ শিক্ষেচ্চত্বাৰি কুক্কুটান্।।

যথা সময়ত শুই উঠা, যুদ্ধৰ কাৰণে উদ্যত হৈ থকা, সম্বন্ধীয় সকলক তেওঁলোকৰ ভাগ দিয়া, আক্ৰমণ কৰি ভোজন কৰা— এই চাৰিটা গুণ মুৰ্গীৰ (কুকুৰাৰ) পৰা শিকিব লাগে।

গূঢ়ং চ মৈথুনং ধাৰ্ষ্ট্যং কালে কালে চ সংগ্ৰহম্।
অপ্ৰমত্তমবিশ্বাসং পঞ্চ শিক্ষেচ্চ বায়সাত্।।

চুপি চুপি কোনেও নেদেখাকৈ মৈথুন কৰা, ধৃষ্টতা কৰা, সময়মতে সকলো বাদ্যবস্তু সংগ্ৰহ কৰা, সকলো কাম সাৱধানেৰে সমাধা কৰা আৰু কাকো তৎক্ষণাত বিশ্বাসত নোলোৱা— এই পাঁচটা গুণ কাউৰীৰ পৰা ল'ব লাগে।

বহাশী স্বল্পসন্তুষ্টঃ সুনিদ্ৰো লঘুচেতনঃ।
স্বামিভক্তশ্চ শূৰশ্চ ষড়েতে শ্যানতো গুণাঃ।।

ভূৰি ভোজনকাৰী অথচ অলপ খাবলৈ পালেই সন্তুষ্ট, গাঢ় নিদ্ৰাত শুই থকা অথচ তৎক্ষণাত সাৰপোৱা, স্বামী ভক্তি আৰু বীৰতা— এই ছটা গুণ কুকুৰৰ পৰা ল'ব লাগে।

সুশ্ৰান্তোঅপি বহেদ ভাৰং শীতোষ্ণং ন চ পশ্যতি।
সন্তুষ্টশ্চৰতে নিত্যং ত্ৰীণি শিক্ষেচ্চ গৰ্দভাত্।।

অত্যন্ত ভাগৰ লগাতো যিয়ে বোজা বহন কৰি থাকে, শীত-তাপে যাক কষ্ট দিব নোৱাৰে আৰু সন্তোষতে জীৱন কটায়— এই তিনিটা গুণ গাধৰ পৰা আহৰণ কৰিব লাগে।

সৰ্ৱে ভৱন্তু সুখীনঃ
সৰ্ৱে সন্তু নিৰাময়াঃ।
সৰ্ৱে ভদ্ৰাণি পশ্যন্তু
মা কাশ্চিত্ দুঃখ ভাগ ভৱেত।।
ঔম শান্তিঃ শান্তিঃ শান্তিঃ।।

প্ৰবন্ধ

# কৃষ্টি-সংস্কৃতিৰ সমন্বয় সেঁতু দুধনৈ

**অৰনীতা সাউদ**
স্নাতক চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্তৰ্গত গোৱালপাৰা জিলাত অৱস্থিত দুধনৈ অঞ্চল (চহৰ সদৃশ এখন গাঁও)। বৃহৎ ভাৰতবৰ্ষৰ যেন এটি ক্ষুদ্ৰ তাঙৱণ এই অঞ্চলটো। ব্ৰাহ্মণ, কলিতা, নাথ, নেপালী, বাঙালী, বড়ো-কছাৰী, ৰাভা, গাৰো, হাজং, ৰাজবংশী আদি বিভিন্ন জাতি-জনগোষ্ঠী তথা সম্প্ৰদায়ৰ মিলনভূমি দুধনৈ অঞ্চলটোৰ সোঁমাজেৰে বৈ গৈছে 'দুধনৈ' নামৰ নদীখন। 'দুধনৈ' নামটোৰ উৎপত্তি সম্বন্ধে বিভিন্ন মতবাদ প্ৰচলন আছে। তাৰ ভিতৰত প্ৰচলিত এটা প্ৰবাদ এনেধৰণৰ— এসময়ত বৰ্তমান নন্দেশ্বৰ পীঠখন (মাটিয়াত অৱস্থিত) গঢ়ি উঠাৰ পূৰ্বে তাত এটা শিৱ লিংগ গছ-বনেৰে আবৃত হৈ আছিল। তালৈ ব্ৰাহ্মণ এজনৰ কামধেনু এজনী আহি স্ব-ইচ্ছাই নিজৰ গাখীৰ শিৱলিংগটিত ঢালিছিল। সেই শিৱলিংগটিৰ তলেৰে এটা সুৰংগ আছিল আৰু সেই সুৰংগটিৰে গাখীৰ বৈ গৈ তাৰ কাষতে থকা নদীখনত পৰিছিল আৰু নৈৰে বৈ গৈছিল। তেনেদৰেই সেই নদীখনৰ নাম দুধনৈ হয় আৰু তাৰ কাষত থকা অঞ্চলটোৱে দুধনৈ নাম লাভ কৰে। দুধনৈ অঞ্চলটোৰ চাৰিসীমা এনেধৰণৰ— পূবে- দৰংগিৰি, পশ্চিমে- কৃষ্ণাই, উত্তৰে- দলগোমা আৰু মাটিয়া আৰু দক্ষিণে- দামৰা।

অতীজৰে পৰা বৰ্তমানলৈকে দুধনৈ চহৰখনত বিভিন্ন কৃষ্টি-সংস্কৃতিসম্পন্ন জাতি-জনগোষ্ঠীয়ে একতাৰ এনাজৰীৰে বান্ধ খাই সমন্বয়ৰ সেঁতু নিৰ্মাণ কৰি অনৈক্যৰ মাজত ঐক্যৰ উদাহৰণ হৈ জীৱন নিৰ্বাহ কৰি আহিছে। প্ৰত্যেক জাতি-জনগোষ্ঠীৰে সুকীয়া বিশেষত্ব আছে। ধৰ্ম, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সাজ-পাৰ, বিবাহ, উৎসৱ-পাৰ্বন আদিৰ মাজত নিশ্চয়কৈ পাৰ্থক্য আছে। কিন্তু বিভিন্ন জাতি-জনগোষ্ঠীয়ে সুদীৰ্ঘ দিন ধৰি একেলগে বসবাস কৰাৰ ফলস্বৰূপে এটা সংস্কৃতিৰ প্ৰভাৱ আন এটা সংস্কৃতিৰ ওপৰত পৰিছে। পৰস্পৰে পৰস্পৰৰ কৃষ্টি-সংস্কৃতি সহজভাৱেই আঁকোৱালি লৈছে। সাজ-পাৰৰ ক্ষেত্ৰতো দেখা যায় যে প্ৰত্যেক জনগোষ্ঠীৰে স্বকীয় সাজ-পাৰ



আছে। প্ৰত্যেক জনগোষ্ঠীৰে স্বকীয় ভাষা আছে যদিও সকলোৱে অসমীয়া ভাষা ক'ব জানে আৰু অসমীয়া ভাষা বুজি পায়। দুধনৈ অঞ্চলৰ ঠায়ে ঠায়ে প্ৰত্যেক জাতি-জনগোষ্ঠীৰে সুকীয়াকৈ ধৰ্মীয় স্থান গঢ় লৈ উঠিছে যদিও আটায়ে সমিলমিলেৰে সেই সকলো ধৰ্মীয় কাৰ্যত প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে অংশগ্ৰহণ কৰে।

অসমীয়া জাতিৰ বাপতিসাহোন উৎসৱ সকলো জনগোষ্ঠীৰ মাজত বেলেগ বেলেগ ধৰণে উদ্‌যাপিত হয়। অসমীয়া সমাজত ৰঙালী বিহু, ভোগালী বিহু, কঙালী বিহুৰ সময়ত যি 'দোমাহী' (দুই মাহৰ সংক্ৰান্তি) পালন কৰা হয় তাক ৰাভাসকলে 'দোমাসী' বুলি কয়। ৰঙালী বিহুৰ সময়ত বড়োসকলে 'বৈশাগু', ৰাভাসকলে 'বায়খো' উৎসৱ পালন কৰে। বড়োসকলে বৈশাগু উৎসৱত 'বাগৰুম্বা' নৃত্য কৰে। 'বায়খো' হৈছে ৰাভাসকলৰ জাতীয় উৎসৱ বিহু। বিহু মূলতঃ কৃষি উৎসৱ। অসমত বসবাস কৰা আদিম জনজাতিসকলে অতীতৰ পৰা ভিন ভিন নামেৰে কৃষি উৎসৱ পালন কৰি আহিছে। ৰাভাসকল কৃষিজীৱী। খেতিৰ অধিষ্ঠাত্ৰী দেৱী হৈছে 'বায়খো'। খেতি বতৰৰ আগে আগে বায়খো দেৱীক পূজা কৰে। ৰাভা ভাষাত বায় মানে দেৱী, খোক মানে পাত্ৰ, চি মানে তেজ, সকলো মিলি হ'লগৈ বায়খোকচি (লক্ষ্মী দেৱী)। এই বায়খোকচিৰ পৰাই 'বায়খো' হ'ল। সেয়েহে অতীত কালৰে পৰা আজিলৈকে কৃষি কৰ্মৰ আগেয়ে বায়খো দেৱীক পূজা কৰে। ৰাভাসকলৰ মাজত 'চাথাৰ' আৰু 'খোক্‌চি' নৃত্যৰ প্ৰচলন আছে।

সেইদৰে গাৰোসকলৰ মাজত 'ৱানগালা' উৎসৱ পালন কৰা পৰিলক্ষিত হয়। 'ৱানগালা' উৎসৱ কৃষিৰ লগত জড়িত। এই উৎসৱত গাৰোসকলে 'ৱানগালা' নৃত্য কৰা দেখা যায়।

অসমীয়া হিন্দুসকলৰ মাজত শাক্ত, শৈৱ, বৈষ্ণৱ ধৰ্মাৱলম্বী লোক থকাৰ দৰে জনজাতিসকলৰ মাজতো শাক্ত, শৈৱ, বৈষ্ণৱ ধৰ্মাৱলম্বী লোক থকা দেখা যায়। জনজাতিসকলে নানা কামত আৰু নিজা আচাৰ-বিধিৰে শিৱক আজিও পূজা কৰে। দুধনৈ অঞ্চলত বাস কৰা বড়ো লোকসকলে 'বাথৌ পূজা' উদ্‌যাপন কৰে। এই পূজাৰ ইষ্ট দেৱতা হৈছে 'শিৱ'। দুধনৈ অঞ্চলৰ ঠায়ে ঠায়ে 'শিৱথান' বুলি কেতবোৰ পবিত্ৰ স্থান আছে।

আকৌ ৰাভাসকলৰ মাজত 'লাঙা পূজা' বুলি এটি উৎসৱ উদ্‌যাপিত হয়। বছৰটো যাতে ভালে-কুশলে পাৰ হয়, খেতি-বাতি যাতে ভাল হয়, বেমাৰ-আজাৰ যাতে নহয়, গাঁওখনৰ সকলোৱে যাতে মংগলে থাকে— সেইবাবে এই লাঙা পূজা উদ্‌যাপন কৰা হয়।

দুধনৈ অঞ্চলত দুৰ্গা পূজা, কালী পূজা, ৰাস মহোৎসৱ আদিও পালন কৰা হয়। তাত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো লোকে উলহ-মালহেৰে অংশগ্ৰহণ কৰা দেখা যায়। বাঙালী সম্প্ৰদায়ৰ মাজত মহা সমাৰোহেৰে দুৰ্গা পূজা, কালী পূজা উদ্‌যাপন কৰা দেখা যায়। সেইদৰে নেপালী সম্প্ৰদায়ৰ লোকসকলে 'ভাই ফোঁট' নামৰ উৎসৱ পালন কৰে। সন্তান জন্মৰ ক্ষেত্ৰত পালন কৰা নিয়ম, মৃতকৰ সৎকাৰ কাৰ্যৰ লগত জড়িত ৰীতি-নীতি, লোকাচাৰসমূহৰ ক্ষেত্ৰতো দুধনৈ অঞ্চলত বসবাস কৰা জাতি-জনগোষ্ঠীসমূহৰ মাজত ভিন্নতা থকা পৰিলক্ষিত হয়। সেইদৰে খাদ্য, ৰন্ধন প্ৰণালী আদিৰ ক্ষেত্ৰতো ভিন্নতা আছে। জনজাতীয় সমাজখনে বাঁহ-বেতৰ নানাধৰণৰ সামগ্ৰী বৰ সুন্দৰভাৱে আৰু নিপুণতাৰে সাজি উলিয়ায়। দৈনন্দিন জীৱন ধাৰণ প্ৰণালীৰ ক্ষেত্ৰতো প্ৰত্যেক জাতি-জনগোষ্ঠীৰে মাজত ভিন্নতা পৰিলক্ষিত হয়। দুধনৈ অঞ্চলটোত জনজাতীয় লোকসকলৰ প্ৰাধান্যই বেছি যদিও তাৰ মাজতে কিছুসংখ্যক নেপালী, বাঙালী আৰু মুছলমান সম্প্ৰদায়ৰ লোকে বসবাস কৰি আছে। তেওঁলোকৰ মাজতো স্বকীয় ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্মীয় বিশ্বাস, ধৰ্মীয় কাৰ্যকলাপ আদি বিৰাজ কৰিছে। প্ৰত্যেক জাতি-জনগোষ্ঠীৰে ভিন্ন কৃষ্টি-সংস্কৃতি আছে যদিও পৰস্পৰে পৰস্পৰৰ কৃষ্টি-সংস্কৃতিক শ্ৰদ্ধা আৰু সন্মান কৰে। মুঠৰ ওপৰত দুধনৈ অঞ্চলটো বিভিন্ন জাতি-জনগোষ্ঠী মিলি বহুৰঙী সূতাৰে গঁঠা এখন দলিচাসদৃশ হৈ পৰিছে। অনৈক্যৰ মাজত ঐক্য হৈ স্বকীয় বৈশিষ্ট্য তথা মৰ্যাদাৰে সমুজ্জ্বল হৈ আছে দুধনৈ অঞ্চল।

## কৌতুক

১। শিক্ষক ঃ ৰামে ধনু-শৰ ব্যৱহাৰ কৰিছিল কিন্তু, বন্দুক ব্যৱহাৰ কৰা নাছিল কিয়?

ছাত্ৰ ঃ ছাৰ, পুলিচে উগ্ৰপন্থী বুলি গ্ৰেপ্তাৰ কৰাৰ ভয়ত বন্দুক ব্যৱহাৰ কৰা নাছিল।

২। শিক্ষক ঃ পৰুৱাৰ পৰা আমাৰ কি লাভ?

ছাত্ৰ ঃ মায়ে ক'ত মিঠাই থয় তাকে আমি গম পাওঁ।

৩। শিক্ষক ঃ মাইনু, কোৱাচোন স্বাধীনতা বুলিলে কি বুজা?

ছাত্ৰী ঃ ১৫ আগষ্টৰ দিনা ভাৰত স্বাধীন হয় ছাৰ। সেইদিনা ছাৰ বাহিৰত ওলোৱা বন্ধ, ফুৰা-চকা বন্ধ আৰু সেইদিনা হাট বজাৰত বোমা ফুটে। ইয়াকে স্বাধীনতা বোলা হয় ছাৰ।

৪। এজনী ৰোগী ডাক্তৰৰ ওচৰলৈ গৈ তেওঁৰ বেমাৰৰ বিষয়ে ক'লে—

ৰোগী ঃ ডাক্তৰ বাবু, ডাক্তৰ বাবু, মোৰ পেটৰ অসুখ হৈছে।

ডাক্তৰ ঃ তোমাৰ পায়খানাটো কেনেকুৱা?

ৰোগী ঃ কেনেকুৱা হ'ব আৰু ডাক্তৰ বাবু। এনেয়ে লেতেৰা-পেতেৰা তামোলৰ ঢাকনিৰে বেৰা দিয়া।

৫। ডাক্তৰ ঃ (ৰোগীলৈ চাই) তুমি বৰ্তমান যাব পাৰা। তোমাৰ ঘাবোৰ শুকাই গৈছে।

ৰোগী ঃ ছাৰ, মোৰ যাবলৈ ভয় লাগিছে। কিয়নো মোক খুন্দিয়াই যোৱা গাড়ীখনৰ পিছফালে লিখা আছিল 'আকৌ আহিম'।

■ **ৰাতুল ৰাভা**
স্নাতক পঞ্চম ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ




# গছ-বিৰিখ

**গীতিমা শৰ্মা**
সহকাৰী অধ্যাপিকা, কম্পিউটাৰ ছায়েন্স (অংশকালীন)

'গছ' শব্দটো এটা মধুৰ শব্দ। যাৰ স্বৰতেই আছে দি যোৱাৰ স্পৃহা। প্ৰাণীৰ জীৱন গছ-বিৰিখৰেই দানস্বৰূপ। ধৰাত গছ আছে বাবেই প্ৰাণী জাতিৰো অস্তিত্ব আছে। এয়া আমাৰ সকলোৰে জ্ঞাত।

ধৰাত বিদ্যমান সকলো সৃষ্টিয়েই মানৱ জাতিক আজিলৈ কেৱল দিয়েই আহিছে। আৰু আমি আজিলৈ ভোকাতুৰৰ দৰে লৈয়েই আছোঁ। আমাৰ যেন ভোকৰ অন্তই নাই। জল-স্থল-বায়ু আটাইৰে পৰা আমি আশীৰ্বাদ পাই আহিছোঁ। ইয়াৰ বিপৰীতে কিন্তু আমি সন্মান কৰিবলৈ আজিলৈকে নিশিকিলো। উদাহৰণস্বৰূপে যেতিয়া আমি ভোকাতুৰ কুকুৰ বা মেকুৰী এটাক খাবলৈ একেৰাহে দুবেলা আহাৰ দিওঁ, তৃতীয় বেলাটোত আকৌ কুকুৰ বা মেকুৰীটোৱে একে সময়তে আমালৈ বৈ থাকে। তাৰপিছত কিন্তু সি আমাৰ আপোন হৈ পৰে। আমাক সহায় কৰিব বিচাৰে, আমাৰ ছাঁটো হৈ পৰে। কিন্তু তাৰ সলনি আমি কি কৰিছোঁ? পৃথিৱী সৃষ্টিৰ দিনৰে পৰাই প্ৰকৃতিয়ে আমাক প্ৰকৃতিৰ উপহাৰ দিয়েই আহিছে। আৰু আমি মাথোঁ প্ৰকৃতিক ধ্বংস কৰি গৈছোঁ। প্ৰকৃতিয়ে যিমান উপহাৰ দিছে তাৰ ভিতৰত গছ-বিৰিখ অতি মূল্যবান। গছে আমাক কি দিছে সেইটো নতুনকৈ কোৱাৰ দৰকাৰ নাই। সেয়া আমি আটায়ে জানো। তথাপি জানো আমি কেতিয়াবা এখন্তেক সময় উলিয়াই ইয়াৰ বিষয়ে দকৈ ভাবিছো— এই অতুলনীয় উপহাৰবিধ নিঃশেষ হৈ গ'লে আমাৰ সভ্য জগতখনৰ ৰূপ বাৰু কি হ'ব? আমাৰ চিন-চাব থাকিবনে? গছে অক্সিজেন দিছে, জীৱক জীয়াই থকাৰ সাহস দিছে। কিন্তু আমি কি দিছোঁ? নিজৰ স্বাৰ্থত অন্ধ হৈ গছ কাটি দালান সাজিছোঁ, ৰাস্তা-ঘাট বান্ধিছোঁ, সমাজক উন্নত কৰিছোঁ। কিন্তু ভেটি নোহোৱাকৈ যিদৰে ঘৰ নহয়, প্ৰকৃতি আৰু গছ-বিৰিখ অবিহনে জীৱ-কুলৰ অস্তিত্ব নাই। সময় থাকোতেই সজাগ নহ'লে এদিন গছ-গছনি নাইকিয়া হ'ব। আচলতে আমি গছ-বিৰিখ ধ্বংস কৰা নাই, আমি নিজকহে ধ্বংস কৰিছোঁ।

এতিয়া কিছু সংখ্যকে এই কথা বুজিছে আৰু আন কিছুসংখ্যকে এতিয়াও স্বাৰ্থৰ পিছত দৌৰি নিজক শেষ কৰি আছে। বিভিন্ন গোট-সংগঠনে গছ সংৰক্ষণৰ আঁচনিও গ্ৰহণ কৰিছে। মাজে-সময়ে চৰকাৰেও বৃক্ষৰোপণৰ কাৰ্যসূচী পালন কৰিছে। ৰাস্তাৰ দাঁতিয়ে-কাষৰে গছপুলি কিছুমানো ৰোপণ কৰা দেখা পোৱা যায় কিছুমান স্থানীয় সংগঠনৰ তৎপৰতাত। এতিয়া কথা হ'ল— যিবোৰ চৰকাৰী-বেচৰকাৰী স্থানীয় সংগঠন বা ব্যক্তিৰ দায়িত্বত এই বৃক্ষৰোপণ কাৰ্যসূচীসমূহ কৰা হৈছে, তেওঁলোকে এইটোও দায়িত্ব লৈছে নে যে গছজোপাই যেতিয়ালৈ বুকু ফিন্দাই থিয় নহয় তেতিয়ালৈ আমি ইয়াক ৰক্ষণাবেক্ষণ দিম? যিদৰে নিজৰ সন্তানক দিওঁ। এই প্ৰশ্ন অকল সেই ব্যক্তি-সংগঠনসমূহকেই নহয় নিজকো কৰা উচিত। মই কৰিছোঁ, আপুনিও কৰি চাওকচোন। আমাৰ দায়িত্ব ৰাস্তাৰ দাঁতিত এজোপা গছ ৰুই জেওৰা দিয়াতেই সীমাবদ্ধনে? জেওৰা দি অহাৰ পিছত জানো কেতিয়াবা সেই মানুহখিনিয়ে চাবলৈ গৈছে যে গছজোপা বাছি আছেনে? বা তাক কিজানি পানীৰেই দৰকাৰ হৈছে? জীৱৰ ভোক-পিয়াহ লাগে। তেন্তে গছজোপাৰ নালাগিবনে? সভা-সমিতি পাতি ঢোলে-ডগৰে এদিন বৃক্ষৰোপণ কাৰ্যসূচী পালন কৰিলেই আমাৰ কাম শেষ নহয় ; বৰঞ্চ গছ পুলিটো ৰোৱাৰ পিছতহে আমাৰ নিষ্ঠাৰ পৰিচয় পোৱা যায়, ধৈৰ্যৰ পৰিচয় পোৱা যায়। আমাৰ কাম সেইদিনাহে শেষ হ'ব লাগে যিদিনা ৰোপণ কৰা গছপুলিটো বতাহ-বৰষুণ-ধুমুহাত থিয় হৈ থাকিব পৰা এজোপা বৃক্ষ হয়।

গছ-বিৰিখৰ ওচৰত মই-আপুনি আমি আটায়ে চিৰ ধৰুৱা। ইয়াৰ ঋণ আমি কেতিয়াও পৰিশোধ কৰিব নোৱাৰো। কিন্তু উদ্ভিদ জাতিটোৱে যাতে আমাক খাই পাত ফলা বুলি নাভাবে তাৰ কাৰণে কিছু চেষ্টা নিশ্চয় কৰিব পাৰোঁ। আমি গছ-বিৰিখে চিৰদিন দিয়া প্ৰতিদানৰ শলাগ লোৱাৰ সময় সমাগত। গতিকে নিজক চিনক, বিৰিখক চিনক বা এজোপা গছ অন্ততঃ জীয়াই ৰাখি শলাগ লওক। অকল জেওৰা দিয়েই দায়িত্ব সমাপ্ত নকৰিব, লালন-পালনো কৰক।

আহক আমি আটায়ে মিলি সুন্দৰ পৃথিৱীক আৰু সুন্দৰ কৰোঁ। ডেকা-বুঢ়া শিশু আটায়ে একোজোপা গছৰ পিতৃ বা মাতৃ হওঁ। তাক পালন কৰোঁ আৰু স্বৰ্গীয় সুখৰ অনুভূতি লওঁ।

প্ৰবন্ধ



# বিজ্ঞান, অন্ধবিশ্বাস আৰু বৰ্তমানৰ সমাজ ব্যৱস্থা

**নিবেদিতা ৰয়**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

সততে আমি নিজক বৈজ্ঞানিক যুগৰ আধুনিক নাগৰিক হিচাপি চিনাকি দিওঁ। বিজ্ঞানৰ ন ন সৃষ্টিত আৰম্ভ হয় আমাৰ দৈনন্দিন জীৱনৰ কৰ্ম প্ৰণালী। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি টোপনি যোৱালৈকে সকলো ক্ষেত্ৰতে আমি বিজ্ঞান আৰু প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল। ক'বলৈ গ'লে বিজ্ঞান অবিহনে বৰ্তমান স্তব্ধ হৈ পৰিব আমাৰ জীৱনযাত্ৰা।

বিজ্ঞান হ'ল অনুসন্ধিৎসা আৰু প্ৰকৃতিৰ নিয়মৰ আধাৰত কঠোৰ শ্ৰম আৰু গৱেষণাৰ জৰিয়তে সঠিক সমাধান লাভ। চেতনাশীল আৰু চিন্তাশীল প্ৰাণী হিচাপে মানুহে অতীতৰে পৰা প্ৰকৃতিক বিশ্লেষণ আৰু অনুধাৱন কৰি প্ৰাকৃতিক নিয়মসমূহক সমাজৰ কল্যাণৰ বাবে প্ৰয়োগ কৰিবলৈ প্ৰচেষ্টা চলাই আহিছে, যাক আমি বিজ্ঞান বুলি কওঁ। বহু বিজ্ঞানীৰ জীৱনজোৰা গৱেষণা আৰু আৱিষ্কাৰে বিজ্ঞানৰ অগ্ৰগতিত অৰিহণা যোগাই আহিছে। প্ৰাকৃতিক নিয়মসমূহক যাতে যুক্তিৰে বিশ্লেষণ কৰি পৰম সত্যত উপনীত হ'ব পৰা যায়, এয়াই হৈছে বিজ্ঞানৰ মূল উদ্দেশ্য। এনে বৈজ্ঞানিক গৱেষণা তথা তথ্য প্ৰযুক্তিৰ বিকাশে ক্ৰমান্বয়ে আমি বাস কৰা পৃথিৱীখনক সংকুচিত কৰি এখন ক্ষুদ্ৰ গাঁৱলৈ পৰিণত কৰি সমগ্ৰ মানৱ জাতিক ওচৰ চপাই আনিছে।

কিন্তু, বিজ্ঞানে ইমানদূৰ আগবঢ়া সত্বেও আমাৰ সমাজত বৈজ্ঞানিক মানসিকতা গঢ় লৈ উঠা নাই। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে বিজ্ঞান আৰু প্ৰযুক্তি জ্ঞানৰ চৰ্চা, অধ্যয়ন আৰু প্ৰায়োগিক ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছিল। তেখেতৰ বিজ্ঞানসুলভ মানসিকতাৰ বাবে ভাৰতবৰ্ষক তেখেতে বিজ্ঞান আৰু প্ৰযুক্তি জ্ঞানত স্বাৱলম্বী কৰি তোলাৰ বাবে ভালেমান ব্যৱস্থা হাতত লৈছিল। বৰ্তমান সমাজত বিজ্ঞানৰ গুৰুত্ব উপলব্ধি কৰিয়েই হয়তো নেহৰুৱে কৈছিল, "It is science alone that can solve the problems of hunger and poverty, of insanitation and illeteracy,



of superstition and decading deadening custom and tradition, of vast resources running to waste, of a rich country inhabited by starving people..... who indeed could afford to ignore science today? The future belongs to science and those who make friends with science." দুৰ্ভাগ্যজনকভাৱে নেহৰুৰ এনে সপোন আৰু চিন্তা সত্ত্বেও বৰ্তমান একবিংশ শতিকাতো আমাৰ সমাজত বিভিন্ন অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ পৰিপ্ৰেক্ষিতত বৰ্বৰ ঘটনা সংঘটিত হৈ থকা পৰিলক্ষিত হয়। তথ্য প্ৰযুক্তিৰ চমৎকাৰ উদ্ভাৱনে আধুনিকৰ পৰা অতি আধুনিক কৰি তোলা মানুহৰ মনত এতিয়াও খোপনি পুতি আছে অন্ধবিশ্বাসে। আমাৰ সমাজ ব্যৱস্থাত খুবেই বিশ্বাস কৰা জ্যোতিষ বিদ্যাত নৱগ্ৰহৰ কথা কোৱা হয়। যদিও বাস্তৱ অস্তিত্ব থকা গ্ৰহকেইটা হ'ল বুধ, মংগল, বৃহস্পতি, শনি আৰু শুক্ৰ। সূৰ্য আৰু চন্দ্ৰ এটাও গ্ৰহ নহয়। ইহঁত যথাক্ৰমে নক্ষত্ৰ আৰু উপগ্ৰহহে। আনহাতে ৰাহু আৰু কেতু বুলি যি দুটা গ্ৰহক মহাশূন্যৰ দৈত্যৰূপে কল্পনা কৰা হয়, সিহঁতৰ বাস্তৱিকতে অস্তিত্বই নাই। অথচ সিহঁতৰ প্ৰভাৱ হেনো মানুহৰ ওপৰত অপৰিসীম। এইবোৰ হ'ল মানুহৰ অন্ধবিশ্বাস। বিজ্ঞান শিক্ষাৰে শিক্ষিত ব্যক্তি আৰু স্বয়ং বিজ্ঞানীও এনে অন্ধবিশ্বাসৰ পৰা মুক্ত নহয়। সেয়েহে চিকিৎসক, অভিযন্তা, বিজ্ঞানৰ শিক্ষকেও গণেশৰ মূৰ্তিক গাখীৰ খুওৱা, নিঃসন্তান ডাক্তৰে সন্তান লাভৰ আশাত বেজালিৰ সহায় লোৱা আদি ঘটনা দেখিবলৈ পোৱা যায়। সাধাৰণ অশিক্ষিত লোকৰ দৰেই বহু শিক্ষিত লোকৰ হাতৰ আঙুলিত ভিন্নৰঙী পাথৰৰ আঙঠি দেখা যায়। তেওঁলোকৰ বিশ্বাস যে এনে পাথৰে ভাগ্য বা দিন সলনি কৰিব পাৰে। এনে কথা শুনিলে মনত ভাব হয় যে সকলোৱেইচোন পাথৰ ব্যৱহাৰ কৰিয়েই নিজৰ নিজৰ দিন ভাল কৰি ল'ব পাৰে। কিন্তু বাস্তৱক্ষেত্ৰত এনে হোৱা দেখা নাযায়। ইয়াৰোপৰি বৰ্তমান বিজ্ঞানৰ যুগত আটাইতকৈ দুখ লগা আৰু লাজ লগা আন এটা সামাজিক কু-প্ৰথা হ'ল ডাইনী বিশ্বাস। সাধাৰণ সহজ-সৰল মানুহৰ অন্তৰত থিতাপি লোৱা এই বিশ্বাস অনুসৰি মানুহৰ দেহত এটি অপদেৱতা প্ৰৱেশ কৰে আৰু এই দেৱতাই সমাজখনলৈ নানা অপায়-অমংগল



আমি মনৰপৰা, চিন্তা-চৰ্চাৰ পৰা যুক্তিসম্পন্ন হ'লেহে এই অন্ধবিশ্বাসসমূহ আঁতৰ কৰিব পৰা যাব। ...গোৱালপাৰা জিলাৰ দুধনৈৰ সমীপৱৰ্তী এখন ভিতৰুৱা গাঁৱৰ এগৰাকী অশিক্ষিত মহিলা বীৰুবালা ৰাভাই 'ডাইনী বিশ্বাসৰ' বিৰুদ্ধে মাত মাতি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো চিনাকি দিবলৈ সক্ষম হৈছে।

কঢ়িয়াই আনে। কেতিয়াবা কোনো এটা অঞ্চলৰ লোকৰ মাজত কিছুমান অচিন বেমাৰৰ প্ৰাদুৰ্ভাৱ, হঠাৎ একেলগে কেবাজনো লোক কিবা কাৰণত অসুস্থ হোৱা বা আতংকিত হোৱা, মানসিক অসুস্থতা, কেতিয়াবা মহামাৰীৰ পৰা লোৱা হাইজা, কলেৰা আদি বেমাৰৰ কাৰণ হিচাপে কোনো ব্যক্তিক ডাইনী বুলি চিনাক্ত কৰি সমাজৰ পৰা খেদি পঠিওৱা হয় বা নিৰ্মমভাৱে হত্যা কৰা হয়। আমাৰ অসমতো এনে ডাইনী হত্যাৰ ঘটনাৰ বিষয়ে প্ৰায়েই সংবাদ মাধ্যমত দেখা পোৱা যায়। বৰ্তমান ই ইমানেই ভয়ংকৰ ব্যাধি হৈ পৰিছে যে অসমকে ধৰি উৰিষ্যা, ঝাৰখণ্ড, বিহাৰ, চত্তীশগড়ত ডাইনী হত্যা আৰু নিৰ্যাতন ৰোধ কৰিবলৈ চৰকাৰে আইন প্ৰণয়ন কৰিবলগীয়া হৈছে। অসমৰ ডাইনী সমস্যা নিয়ন্ত্ৰণৰ বাবে অসম বিধানসভাত 'ডাইনী অপৰাধ (নিষেধ, প্ৰতিষেধ আৰু সুৰক্ষা প্ৰদান) আইন, ২০১৫' গৃহীত হৈছে। কিন্তু কেৱল আইন প্ৰণয়ন কৰিয়েই জানো এনে অন্ধবিশ্বাস আঁতৰ কৰিব পাৰি? ডাইনী হত্যাৰ সমান্তৰালকৈ আমাৰ সমাজত এতিয়াও ধৰ্মৰ নামত নৰবলি দিয়া দেখা যায়। ইও এটা অতি ঘৃণনীয় কাণ্ড। এনে অন্ধবিশ্বাস আৰু কু-সংস্কাৰসমূহ আঁতৰ কৰিবৰ বাবে সকলো লোককে প্ৰকৃতাৰ্থত বৈজ্ঞানিক মনোভাবাপন্ন কৰি গঢ়ি তুলিব লাগিব, সামাজিক সচেতনতা আনিব লাগিব। কেৱল বৰ্ণমালাৰ জ্ঞানেৰে শিক্ষিত হ'লেই নহ'ব। আমি মনৰপৰা, চিন্তা-চৰ্চাৰ পৰা যুক্তিসম্পন্ন হ'লেহে এই অন্ধবিশ্বাসসমূহ আঁতৰ কৰিব পৰা যাব। উল্লেখযোগ্য যে, গোৱালপাৰা জিলাৰ দুধনৈৰ সমীপৱৰ্তী এখন ভিতৰুৱা গাঁৱৰ এগৰাকী অশিক্ষিত মহিলা বীৰুবালা ৰাভাই 'ডাইনী বিশ্বাসৰ' বিৰুদ্ধে মাত মাতি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো চিনাকি দিবলৈ সক্ষম হৈছে। সদৌ শেষত ক'ব পাৰি যে সমাজত প্ৰচলিত এনে অন্ধবিশ্বাস, কু-সংস্কাৰ, ভ্ৰান্ত ধাৰণা আদি আঁতৰাই প্ৰতিজন ব্যক্তিকে বৈজ্ঞানিক মানসিকতাসম্পন্ন কৰি গঢ়ি তুলিবলৈ সচেতন ব্যক্তি, সংগঠন আৰু চৰকাৰে তৃণমূল পৰ্যায়ৰ পৰাই প্ৰচেষ্টা গ্ৰহণ কৰিব লাগিব। কাৰণ, বৈজ্ঞানিক মানসিকতাৰ ফলতহে এখন সমাজ উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিব।




# ভাল দিনৰ আশাৰে


**ৰমাকান্ত ৰাভা**
পৰীক্ষাগাৰ কৰ্মী,
উদ্ভিদ বিজ্ঞান বিভাগ

কেতিয়াবা কেতিয়াবা জীৱন আৰু সংসাৰৰ অৱস্থা দেখি মনত অলেখ প্ৰশ্নৰ উদয় হয়। প্ৰচণ্ড শীতৰ ঠেৰেঙা লগা নিশাও বহুতে বস্ত্ৰহীনভাৱে পাৰ কৰে, মুকলি আকাশৰ তলতেই অনিদ্ৰা, জীয়াই থকাৰ সংগ্ৰাম কৰে। সংঘৰ্ষপূৰ্ণ জীৱনৰ এই ভয়ংকৰ যাত্ৰাত কিহৰ নিমিত্তে তেওঁলোক আগবাঢ়ি আছে? সৃষ্টিৰ চক্ৰ নিৰন্তৰে চলিয়েই আছে। প্ৰতিদিনে যিদৰে লাখ লাখ লোকৰ জন্ম হয়, ঠিক একেদৰে লাখ লাখ লোকৰ দেহ মাটিৰ লগত মিহলি হৈয়ে আছে। মৃত্যুৰ আগমুহূৰ্তলৈকে মানুহে নতুন নতুন সপোন ৰচিয়েই থাকে। কিয়? ইয়াৰ মাত্ৰ এটাই উত্তৰ— 'আশা'।

আশাক কেন্দ্ৰ কৰিয়েই মানৱ জীৱন গতি কৰি আছে। কিবা এটা পোৱাৰ বা কৰাৰ হেঁপাহ আছে বাবেই মানুহে সন্মুখত আহি পৰা অজস্ৰ বাধা কষ্টকো হেলাৰঙে অতিক্ৰমি যাব পাৰে। আজিৰ দুখ-বেদনা, ৰোগ-শোক ভৱিষ্যতে আঁতৰি যাব, জীৱনত ভাল দিন আহিব— এই ধৰণৰ আশাত আমি মানৱ জাতি বন্দী। আশাই আমাক জীয়াই থকাৰ প্ৰেৰণা দিয়ে, সাহস দিয়ে। কিন্তু ভৱিষ্যতৰ আশাৰে চলি থকাৰ লগতে বৰ্তমানটোকো যদি স্বীকাৰ কৰিব পৰা যায়, তেতিয়া নিশ্চয় সকলোৰে বাবে ভাল হ'ব। প্ৰত্যেকেই যদি অন্তৰাত্মাৰ পৰা শ্ৰেষ্ঠ বিধিৰে জীয়াই থকাৰ ওপৰত গুৰুত্ব দিয়ে, তেতিয়া নিশ্চয় বৰ্তমান জীৱনটোও সুখময় হ'ব, সাৰ্থক হ'ব। কিয়নো, আশাত বন্দী মানুহে পৰ্যাপ্ত থকাৰ পিছতো অধিক আশা কৰে, আৰু এই বাঢ়ি গৈ থকা আশাই আমাক থকাখিনি উপভোগতো বাধা দিয়ে। যিজন আজি সুখী নহয়, তেওঁ কাইলৈ কেনেকৈ সুখী হ'ব? কাৰণ 'কাইলৈ' বুলি যাক কোৱা হয়, সেইদিন কেতিয়াও নাহে। যেতিয়া আহে, সি 'আজি' হৈ যায়। সেয়েহে আমি 'আজি'ৰ দিনটোত নিজৰ ধ্যান আৰু দৃষ্টি নিবদ্ধ কৰিব লাগে। আজি আমাৰ যিমান ধন-সম্পত্তি আছে, সেয়া হয়তো পৰ্যাপ্ত। কিন্তু তাৰ পিছতো আমি আৰু 'বেছি' আশা কৰো। 'বেছি'ৰ জানো কিবা জোখ আছে? বৰ্তমানৰ প্ৰাপ্তিক জীয়াই থাকিবৰ বাবে পৰ্যাপ্ত বুলি ভাবিব নোৱাৰাৰ বাবেই ব্যক্তিয়ে সুখ উপভোগ কৰিব নোৱাৰে। যিজনে বৰ্তমানক উপভোগ কৰিব পাৰে, তেওঁ কেতিয়াও কোনো পৰিস্থিতিতে দুখী নহয়, তেওঁৰ বাবে প্ৰতিটো দিনেই সুখৰ দিন।

যিসকল লোকে কেৱল ভৱিষ্যতৰ আশাত জীৱন নিৰ্বাহ কৰি থাকে, তেওঁলোক ভ্ৰমজালৰ বান্ধোনত থকাৰ দৰে হয়। সন্তানহীন লোকসকলে ভাবে যে নিজৰ সন্তান নথকাটোৱেই পৃথিৱীৰ আটাইতকৈ ডাঙৰ দুখ। যিসকলৰ পুত্ৰ সন্তান হয়, সেইসকলৰ জীৱন সুখ আৰু প্ৰাপ্তিৰে ভৰি পৰে বুলি বিশ্বাস কৰে এতিয়াও। কিন্তু সন্তানহীন লোকসকলে এটা কথা উপলব্ধি কৰা উচিত যে যাৰ এটা বা বেছি সন্তান (আনকি পুত্ৰ সন্তান) আছে, সেইসকল লোকো কোনো কোনো সময়ত দুখ-বেদনা আদিৰে পীড়িত হয়। এটা সন্তান যেতিয়া জন্ম হয়, প্ৰত্যেক পিতৃ-মাতৃয়ে সন্তানটোক লৈ সপোন দেখিবলৈ আৰম্ভ কৰে। সন্তানক ডাঙৰ-দীঘল কৰাৰ সপোন, উপযুক্ত শিক্ষা-দীক্ষা দি ভাল মানুহ কৰি গঢ়ি তোলাৰ সপোন, এটা ভাল সংস্থাপনৰ সপোন, বিয়া-বাৰুৰ সপোন— এনেদৰেই সপোন আৰু আশাবোৰ দীঘলীয়া হৈ গৈ থাকে। আশা কেতিয়াও শেষ নহয়। বাহিৰৰ চিক্‌মিকনি দেখি আমি সদায় আনৰটো ভাল বুলি ভাবো আৰু নিজৰ প্ৰাপ্তিৰ ভালখিনিও নিজৰ চকুত ধৰা নপৰা হয়।

সুখ কেতিয়াও বিচাৰি পোৱা বস্তু নহয়। ই আত্মাৰ লগত সংপৃক্ত। সুখ, শান্তি, আনন্দ— এই সূক্ষ্ম অনুভূতিসমূহ নিজৰ ভিতৰতেই বিচাৰিব লাগিব। বাস্তৱমুখী চিন্তাৰে বৰ্তমান জীৱনটোক উপভোগ কৰিব পাৰিলেই আমি সত্যতাক অনুভৱ কৰিম আৰু সুখী হোৱাৰ বাট বিচাৰি পাম। কেৱল ভৱিষ্যতৰ আশাকে নকৰি আমি এতিয়া যি স্থানত আছোঁ, সেই স্থানতেই নিজৰ ধ্যানত কেন্দ্ৰিত কৰিব লাগিব। আৰু ব্যক্তিগত স্বাৰ্থৰ ঊৰ্দ্ধত থাকি মানৱসেৱাত নিজক প্ৰবৃত্ত কৰিলে নিশ্চয় প্ৰতিটো দিনেই সকলোৰে বাবে ভাল দিন হৈ পৰিব। এই যাত্ৰা আৰম্ভ হওক প্ৰত্যেকৰে অন্তৰৰ পৰা।




# কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ

**পিংকী সাহা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

বংগৰ সুযোগ্য সন্তান কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ অসীম প্ৰতিভাধৰ ব্যক্তি আছিল। সাহিত্যত নোবেল বঁটা অৰ্জনেৰে তেখেতে সমগ্ৰ ভাৰতবৰ্ষকে গৌৰৱান্বিত কৰিছিল। সাহিত্যৰ সব্যসাচী ৰবীন্দ্ৰনাথ ঠাকুৰ একেধাৰে কবি, সাহিত্যিক, চিত্ৰকৰ, নাট্যকাৰ আৰু দাৰ্শনিকো আছিল। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় সংগীত 'জন গণ মন' আৰু বাংলাদেশৰ ৰাষ্ট্ৰীয় সংগীত 'আমাৰ সোণাৰ বাংলা' কবিগুৰু জনাৰেই সৃষ্টি।

ভাৰতীয় সাহিত্য আকাশৰ উজ্জ্বল নক্ষত্ৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম হৈছিল ১৮৬১ চনৰ ৭ মে' তাৰিখে কলিকতাৰ (বৰ্তমান কলকাতাৰ) জোড়াসাকোঁৰ প্ৰসিদ্ধ ঠাকুৰ পৰিয়ালত। পিতৃ দেবেন্দ্ৰনাথ ঠাকুৰ আৰু মাতৃ সাৰদা দেৱী। দেবেন্দ্ৰনাথ ঠাকুৰ এজন সহজ-সৰল আৰু সমাজ সচেতন ব্যক্তি আছিল। ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰাৰম্ভিক শিক্ষা আৰম্ভ হৈছিল কলিকতাৰ 'ছেণ্ট জেভিয়াৰ' স্কুলত। পিতৃৰ সপোন আছিল পুত্ৰক 'বেৰিষ্টাৰ'ৰূপে সমাজত প্ৰতিষ্ঠা কৰিবলৈ আৰু সেই সপোন বাস্তৱত পৰিণত কৰিবলৈ ইং ১৮৭৮ চনত ৰবীন্দ্ৰনাথ ঠাকুৰ লণ্ডন বিশ্ববিদ্যালয়ত নাম লগাই দিয়া হৈছিল। কিন্তু সাহিত্যৰ প্ৰতি থকা প্ৰবল অনুৰাগৰ বাবে ঠাকুৰে তাত মন বহুৱাব পৰা নাছিল আৰু ইং ১৮৮০ চনত আধাতে শিক্ষা সমাপ্ত কৰি ভাৰতবৰ্ষলৈ ঢাপলি মেলে।

ৰবীন্দ্ৰনাথে নিচেই কম বয়সতে সাহিত্য চৰ্চাত মনোনিৱেশ কৰিছিল। যি বয়সত এটি শিশুৱে খেলা-ধূলাত ব্যস্ত থাকি ভাল পায়, সেই বয়সতে মাথোঁ আঠ বছৰ বয়সতে প্ৰথমটো কবিতা লিখিছিল। ১৮৭৪ চনত তেখেতৰ কাব্যগ্ৰন্থ 'অভিলাস' প্ৰকাশ পায়। ১৮৭৭ চনত ১৬ বছৰ বয়সতে তেখেতে লঘু ৰচনা লিখিছিল। গল্পকাৰ ৰবীন্দ্ৰনাথে অন্যতম সৃষ্টি হৈছে 'চোখেৰ বালি', 'অতিথি', 'মনভাজন', 'কাবুলীৱালা', 'সমাপ্তি', 'ত্যাগ' ইত্যাদি। তেখেতৰ কেইখনমান উল্লেখযোগ্য উপন্যাস হৈছে— চাৰ অধ্যায়, চতুৰংগ, দুই বন, গোৰা, নৌকাডুবি, যোগাযোগ, কৰুণা, কৰ্মফল, ছাইদান, বসন্ত, অপৰাজিতা আৰু জাপান যাত্ৰী। ডাকঘৰ, মুকুট, তাচেৰ দেশ, ৰক্তৱীৰ তেখেতৰ নাট্য সাহিত্যৰ চানেকি।

কবিগুৰুজনাৰ কাব্য প্ৰতিভা প্ৰস্ফুটিত হৈছে অনন্ত প্ৰেম, দুৰ্ভগা দেশ, প্ৰাৰ্থনা, প্ৰাণ, পত্ৰলেখা ইত্যাদি কবিতাত। ১৯১৩ চনত তেখেতে 'গীতাঞ্জলি' কাব্যগ্ৰন্থৰ বাবে সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ সন্মান নোবেল বঁটাৰে বিভূষিত হৈছিল। এই সন্মান লাভ কৰা তেখেত প্ৰথম আৰু একমাত্ৰ ভাৰতীয় সাহিত্যিক। 'গীতাঞ্জলি' ১৯১০ চনত বাংলা ভাষাত আৰু ১৯১২ চনত ইংৰাজী ভাষাত প্ৰকাশিত হৈছিল। এইখিনিতে গীতিকাৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ কথা নক'লে ভুল কৰা হ'ব। তেখেতে প্ৰায় ২২৩০টা মান গীতো ৰচনা কৰিছিল— যিসমূহ 'ৰবীন্দ্ৰ সংগীত' হিচাপে জনাজাত।

সমাজলৈ তেখেতৰ অন্যতম অৱদান শান্তি নিকেতন আৰু বিশ্বভাৰতী বিশ্ববিদ্যালয়। ১৯০১ চনত শান্তি নিকেতন আৰু ১৯২১ চনত বিশ্বভাৰতী বিশ্ববিদ্যালয় স্থাপন কৰে। পশ্চিমবংগৰ বীৰভূ জিলাৰ বোলপুৰৰ ওচৰত ঠাকুৰদেৱে প্ৰথমে এখন আশ্ৰম স্থাপন কৰে, য'ত প্ৰথমে শান্তি নিকেতন আৰু পৰৱৰ্তী সময়ত বিশ্বভাৰতী বিশ্ববিদ্যালয় স্থাপিত হয়। ১৯০১ চনত পোন প্ৰথমে ৫ জন ছাত্ৰ লৈ আৰম্ভ কৰা আশ্ৰমখনি বৰ্তমান প্ৰায় ৬,০০০ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাগ্ৰহণৰ স্থলী। শান্তি নিকেতন বৰ্তমান পৰ্যটকৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু। ৰবীন্দ্ৰনাথে সৰ্বপ্ৰথমে স্থাপন কৰা আশ্ৰমখনৰ নাম আছিল 'ব্ৰহ্মচাৰী আশ্ৰম'।

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামলৈও তেখেতৰ অকুণ্ঠ সমৰ্থন আছিল। মোহন দাস কৰমচাঁদ গান্ধীক 'মহাত্মা' নামটো কবিগুৰুৱেই প্ৰদান কৰিছিল। আৰু তেখেত পাছলৈ জাতিৰ পিতা মহাত্মা গান্ধী নামেৰে প্ৰসিদ্ধ হৈছিল। ১৯১৯ চনৰ পঞ্জাৱৰ জালিয়ানৱালাবাগৰ নিৰ্মম হত্যাকাণ্ডৰ প্ৰতিবাদস্বৰূপে ৰবীন্দ্ৰনাথ ঠাকুৰে ব্ৰিটিছ চৰকাৰে তেখেতক প্ৰদান কৰা 'নাইট' উপাধি পৰিত্যাগ কৰিছিল।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ সাহিত্য কৃতী কেৱল বংগ সাহিত্যৰে নহয়, ভাৰতীয় সাহিত্যৰেই আপুৰুগীয়া সম্পদ আৰু পৰৱৰ্তী সাহিত্যিকসকলৰ বাবে দিগ্‌দৰ্শক। তেখেতৰ ৰচনাৰাজি ইংৰাজী ভাষাৰ উপৰিও নানা দেশী-বিদেশী ভাষালৈ অনূদিত হৈছে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বাঙালী সমাজত প্ৰতিবছৰে ৭ মে' দিনটো ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম দিৱসৰূপে পালন কৰা হয়। এইজনা মহান মনীষীৰ ১৯৪১ চনৰ ৭ আগষ্টত জীৱন বন্তি নিৰ্বাপিত হয়।




প্ৰবন্ধ

# মোৰ অনুভৱত দুধনৈ মহাবিদ্যালয়

**সমলেন্দ্ৰ ৰাভা**
স্নাতক ষষ্ঠ যাণ্মাসিক (কলা শাখা)

দুধনৈ মহাবিদ্যালয়। বৃহত্তৰ দুধনৈ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ কমাৰশাল দুধনৈ মহাবিদ্যালয়। গোৱালপাৰা জিলাৰ দুধনৈত অৱস্থিত এই মহাবিদ্যালয় ৰাভা হাছং স্বায়ত্তশাসিত এলেকাৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান। ১৯৭২ চনত স্থাপিত এই মহাবিদ্যালয় বিভিন্ন জাতি-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ মিলনভূমি। অসমীয়া ভাষাৰ উপৰিও বড়ো, ৰাভা, গাৰো, বাঙালী, নেপালী আদি ভিন ভিন ভাষিক জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত শিক্ষাগ্ৰহণ কৰে। ২০১১ চনত মই দুধনৈ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কলা শাখাত নামভৰ্তি কৰোঁ। এয়াই দুধনৈ মহাবিদ্যালয়ত মোৰ প্ৰথম পদাৰ্পণ। বিগত পাঁচটা বছৰে ইয়াত মই উচ্চ শিক্ষা লাভৰ অনুশীলন কৰিবলৈ সুবিধা লাভ কৰিছোঁ। ছাৰ-বাইদেউসকলৰ নিয়মীয়া আৰু সহজবোধ্য পাঠদানৰ লগতে মৰমসনা ব্যৱহাৰে আমাক অধ্যয়নত মনোনিৱেশ কৰিবলৈ অনুপ্ৰেৰণা যোগায়। শিক্ষাগুৰুসকলে বিভিন্ন সময়ত অৰ্পণ কৰা কিছুমান বিশেষ দায়িত্ব আমি ছাত্ৰ-ছাত্ৰীসকলে অতি গুৰুত্বসহকাৰে পালন কৰিছোঁ।

প্ৰাকৃতিক সৌন্দৰ্যৰ দিশৰ পৰা অসমৰ এখন উল্লেখযোগ্য মহাবিদ্যালয় হৈছে দুধনৈ মহাবিদ্যালয়। চৌপাশে থকা শাৰী শাৰী গছে মহাবিদ্যালয়খনক নিৰ্মল সৌন্দৰ্যৰে সুশোভিত কৰিছে। এজাৰ-ৰাধাচূড়াৰ জকমকীয়া ৰূপে পথচাৰীক এবাৰৰ বাবে হ'লেও শিক্ষানুষ্ঠানখৰ ফালে চাবলৈ বাধ্য কৰায়। এই মনোমোহা সৌন্দৰ্যত সোণত সুৱগা চৰাইছে মহাবিদ্যালয়খনৰ দক্ষিণ-পূব দিশত থকা বিশাল পুখুৰীটোৱে। জিৰণিৰ সময়ত পুখুৰীৰ পাৰত থকা গছৰ তলত বহি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন আলোচনা কৰাৰ উপৰিও অৱসাদ আঁতৰ কৰে। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ উত্তৰ ফালে এখন মুকলি খেলপথাৰ। মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাসমূহ ইয়াতেই অনুষ্ঠিত হয়। বহু ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশ কৰাৰ উপৰিও আকৰ্ষণীয় পুৰস্কাৰ বুটলিবলৈ সমৰ্থ হয়। নৃত্য-গীত, কৃষ্টি-সংস্কৃতি ইত্যাদিৰ ক্ষেত্ৰতো দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল সমানেই আগৰণুৱা। প্ৰতি বছৰে দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত নৱাগত আদৰণি সভা অনুষ্ঠিত হয়।

এইখিনিতে উল্লেখনীয় যে আমাৰ সকলোৰে শ্ৰদ্ধাৰ অধ্যক্ষ ড° গোপাল ফুকন ছাৰৰ সু-নেতৃত্বত আৰু সু-তত্বাৱধানত এই মহাবিদ্যালয়ে NAACৰ পৰিদৰ্শনৰ অন্তত অতি ভাল ফলাফল (B Grade- ২.৭৬) লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান দুধনৈ মহাবিদ্যালয়ত দূৰ আৰু মুক্ত শিক্ষাৰ অনুষ্ঠান IDOL আৰু KKHSOUৰ শাখাও খোলা হৈছে। ইয়াৰ দ্বাৰা নিয়মীয়া শিক্ষাগ্ৰহণ কৰিব নোৱৰা ছাত্ৰ-ছাত্ৰীসকল উপকৃত হৈছে। নতুনকৈ উচ্চতৰ মাধ্যমিক পৰ্যায়ত আৰম্ভ কৰা বাণিজ্য শাখাই সফলতাৰে দুটা বছৰ অতিক্ৰম কৰিছে আৰু সম্প্ৰতি স্নাতক পৰ্যায়লৈ সম্প্ৰসাৰণৰ যো-জা চলোৱা হৈছে। বৰ্তমান মহাবিদ্যালয়ৰ উত্তৰে আৰু দক্ষিণে দুটা তিনি মহলীয়া বিল্ডিং সম্পূৰ্ণ হৈছে। মহাবিদ্যালয়ত বৰ্তমান শ্ৰেণীকোঠাৰ অভাৱ নাই। দুটাকৈ ছাত্ৰী নিবাস আৰু এটাকৈ পুৰণি ছাত্ৰাবাস থকাৰ উপৰিও নকৈ এটা RCC Boys' Hostelৰ নিৰ্মাণ কাৰ্য সম্পৰ্ণ হৈছে। Science Building আৰু নতুন শ্ৰেণীকোঠাৰো নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। আমাৰ মহাবিদ্যালয়ত বিশুদ্ধ খোৱাপানীৰ সু-ব্যৱস্থা আছে। মহাবিদ্যালয়ৰ আন এক আকৰ্ষণীয় দিশ হৈছে বাগ্‌দেৱী ঘাট, য'ত বিদ্যাৰ অধিষ্ঠাত্ৰী সৰস্বতী দেৱীৰ মূৰ্তি স্থায়ীভাৱে নিৰ্মাণ কৰা হৈছে।

গ্ৰন্থাগাৰ অবিহনে এখন শিক্ষানুষ্ঠান অসম্পূৰ্ণ। গতিকে দুধনৈ মহাবিদ্যালয়ৰ বৰ্ণনাত ইয়াৰ গ্ৰন্থাগাৰটোৰ বিষয়ে উল্লেখ নকৰিলে ভুল কৰা হ'ব। বৰ্তমান মহাবিদ্যালয় গ্ৰন্থাগাৰত বিভিন্ন বিষয়ৰ পাঠ্যপুথিৰ উপৰি সমল গ্ৰন্থ আৰু আন জ্ঞানসমৃদ্ধ গ্ৰন্থও আছে। বিশ্বকোষৰ উপৰিও মহান সাহিত্যিকসকলৰ ৰচনাৱলীও ইয়াত উপলব্ধ। Digital Libraryৰ যোগেদি N-Listৰ পৰা তথ্য আহৰণৰ সুবিধাও শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হৈছে। ইণ্টাৰনেটৰ লগতে আঠ-নটা কম্পিউটাৰৰ সু-ব্যৱস্থা আছে। বিভিন্ন বাতৰি কাকত একেলগে পঢ়াৰ সুবিধাও আমাক গ্ৰন্থাগাৰটোৱে প্ৰদান কৰিছে। পূৰ্বতে আমি ছাত্ৰ-ছাত্ৰীসকলে নিজে কিতাপ চাব পৰা নাছিলোঁ যদিও বৰ্তমান গ্ৰন্থাগাৰিক বাইদেউৰ তৎপৰতাত সেয়া সম্ভৱ হৈছে। কিতাপসমূহ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত বিভক্ত কৰি ৰখাত ছাত্ৰ-ছাত্ৰীসকলৰ কিতাপ বিচাৰি পোৱাত সুবিধা হৈছে। অৱশেষত এয়াই আশা কৰিছোঁ যে আগন্তুক বছৰবোৰত আমাৰ দুধনৈ মহাবিদ্যালয় উচ্চ শিক্ষাৰ দিশত আৰু অধিক আগবাঢ়ি যাওক। ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ ক্ষেত্ৰত কৃতিত্ব প্ৰদৰ্শন কৰি সুনাম কঢ়িয়াওক। এই মহাবিদ্যালয়ত অতিবাহিত কৰা দিনকেইটাত ছাৰ বাইদেউ, বন্ধু-বান্ধৱী আটাইৰে লগত এক মধুৰ সম্পৰ্কৰ এনাজৰীৰে বান্ধ খাই আছিলোঁ। দুধনৈ মহাবিদ্যালয় মোৰ মানসপটত চিৰদিন জিলিকি থাকিব। মোৰ বাবে প্ৰাণ-শক্তি-জ্ঞান প্ৰেৰণাৰ অফুৰন্ত উৎস দুধনৈ মহাবিদ্যালয়।



# কোচবিহাৰত এটা দিন

**হিৰন্ময়ী নাথ**
স্নাতক পঞ্চম ষাণ্মাসিক, দৰ্শন বিভাগ

আমি দৰ্শন বিভাগৰ আটাইবোৰ ছাত্ৰ-ছাত্ৰী, ছাৰ-বাইদেউৰ অশেষ চেষ্টাৰ ফলত এটা অতি আনন্দৰ দিন পাৰ কৰিবলৈ পাইছিলোঁ। সেই দিনটো আছিল ২০১৬ চনৰ ১৭ নৱেম্বৰ। স্থান- কোচবিহাৰ। কোচবিহাৰলৈ আমি দুধনৈৰ পৰা ১৬ নৱেম্বৰৰ দিনাখন ৰাতি ১০.১৫ মান বজাত এখন ট্ৰেভেলাৰেৰে যাত্ৰা আৰম্ভ কৰিছিলোঁ। আৰু গৈ যেতিয়া পাইছিলোগৈ, তেতিয়া সময় পুৰা ৫ বাজি ৪৫ মিনিট মান হৈছিল। গাড়ীখন ৰখাই লৈ আমি আটায়ে কোচবিহাৰৰ এখন হোটেলত চাহ-জলপান খাইছিলোঁ। মধুপুৰ সত্ৰ গৈ পাওঁ মানে সময় ৭ বাজি গৈছিল।

আমি আটায়ে অৱগত যে কোচবিহাৰৰ মধুপুৰ নামৰ এখন ঠাইত অসমৰ মহান পুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এখন সত্ৰ আছে। অসমৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰক এইজনা মহান মনীষীয়ো ১৫৬৮ চনত ভেলামধুপুৰত গৈ ইহলীলা সম্বৰণ কৰিছিল। আৰু তাতে তেওঁ 'গুণমালা' পুথিখন মৃত্যুৰ আগতে লিখি সম্পূৰ্ণ কৰিছিল। তেওঁ অসমলৈ আগবঢ়োৱা আটাইবোৰ অৱদানেই লেখত ল'বলগীয়া। মধুপুৰ সত্ৰত মহাপুৰুষ জনাই ব্যৱহাৰ কৰা আটাইবোৰ বস্তু এতিয়াও সংগ্ৰহ কৰা আছে। তেওঁ খাদ্য খাবলৈ ব্যৱহাৰ কৰা বাতি, কাঁহী, গিলাচ; তেওঁ কেনেকুৱা চকীত বহিছিল, কি কাপোৰ পিন্ধিছিল এই আটাইবোৰ সত্ৰত দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰিও তেওঁৰ অস্থি, যপ কৰা মালা আদি এতিয়াও আছে। এই বস্তুবোৰ সযত্নে ৰখাৰ বাবে অসমৰ তিনি-চাৰিজন মান মানুহ সেই সত্ৰতে আছে। আৰু তেওঁলোকে সংসাৰৰ মায়া-মোহ ত্যাগ কৰি মহাপুৰুষজনাৰ ওচৰত নিজৰ জীৱন উচৰ্গা কৰিছে। কোচবিহাৰত অৱস্থিত এই সত্ৰখনৰ বাবে অসম চৰকাৰেও এক অৱদান আগবঢ়াই আহিছে। প্ৰতি বছৰে অসম চৰকাৰে সামান্য হ'লেও এটি বৰঙণি আগবঢ়ায়। সত্ৰত থকা বস্তুবোৰ চোৱা-চিতা কৰা দায়িত্বত যি তিনি-চাৰিজন লোক আছে, তেওঁলোক অসমৰে। তেওঁলোকৰ খোৱা-বোৱা, পিন্ধা-উৰা, থকা ঠাই আদিৰ ব্যৱস্থা অসম চৰকাৰে কৰি দিছে। ইয়াৰ উপৰিও শংকৰদেৱে নাম-কীৰ্তন কৰা

